**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::**

**Headlines (23-04-2024)**

১। ৰাজ্যখন দ্বিতীয় পৰ্যায়ত হবলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান অন্ত পৰাৰ আগদিনা আজি বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান।

২। অহা ২৬ এপ্ৰিলত হবলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰীকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগৰ বিশেষ তৎপৰতা গ্ৰহণ।

৩। ২০২৪-২৫ বৰ্ষত উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অসম উচ্চতম মাধ্যমিক শিক্ষা সংসদৰ দৰ্পণ নামভৰ্তি পৰ্টেল মুকলি।

৪। অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত তদন্তৰ প্ৰতিবেদন দাখিল।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

০০০০০

ৰাজ্য খনত দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত হবলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসনাধিষ্ঠিত বিজেপিৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহে নিৰ্বাচন হবলগীয়া দৰং-ওডালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁ জিলাৰ জুৰীয়াত দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে সাধাৰণ ৰাইজৰ সমস্যা উপলব্ধি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰে তেওঁলোকক প্ৰাপ্য সুবিধা প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰে।

সমষ্টিটোত নিৰ্বাচনী প্ৰস্তুতি তথা প্ৰচাৰ সন্দৰ্ভত আমাৰ নগাওঁৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয় –

— ভইচ—

মুখ্যমন্ত্ৰীয়ে আজি দৰং-ওডালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনত ছিপাঝাৰ, মঙ্গলদৈ, নাগৰিজুলিত প্ৰচাৰ চলাই। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰে বিগত

সময়ছোৱাত ৰাজ্যখনৰ সকলো স্তৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী আৰু বিটিআৰৰ মুৰববী প্ৰমোদ বড়োৱে আজি ওডালগুৰি জিলাৰ শিমলুগুৰিত দৰং-ওডালগুৰি সমষ্টিৰ প্ৰাৰ্থী গৰাকীৰ হৈ প্ৰচাৰ চলায়।

ইপিনে মন্ত্ৰী পিযুষ হাজৰিকাই আজি নগাওঁ সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ সমষ্টিটোৰ দক্ষিণপাটত প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ নগাওঁ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যু বৰদলৈয়ে আজি মৰিগাওঁত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে অংশ লয় বিজেপিৰ অৰ্থনৈতিক নীতিৰ তীব্ৰ সমালোচনা কৰে। কংগ্ৰেছ দলৰ সভাপতি ভূপেন কুমাৰ বৰাইও বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে। ইফালে বাক্সা জিলাৰ জালাহত আজি গণসুৰক্ষা পাৰ্টীৰ কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী বিনীতা ডেকাই প্ৰচাৰ চলায়। তৃতীয় পৰ্যায়ত নিৰ্বাচন হবলগীয়া গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি সমষ্টিটোত ছখন কৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাৰ্বি আলং জিলাৰ ডিফুত আজি এ পি এইচ চি  সমৰ্থিত প্ৰাৰ্থী জে আই কাথাৰৰ হৈ নিৰ্বাচনী সভা অনুষ্ঠিত হয়।

ooooo

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে জাৰি কৰা এটা বিবৃতি অনুসৰি ভোটগ্ৰহণৰ ৪৮ ঘণ্টা আগেয়ে প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ সামৰিব লাগিব। সেই অনুসৰি কাইলৈ বিয়লি ৫ বজাত প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ সমাপ্ত পৰিব। কাইলৈ বিয়লি ৫ বজাৰ পৰা কোনো লোকে নিৰ্বাচনী প্ৰচাৰ সম্পৰ্কীয় সভা, শোভাযাত্ৰা আদি অনুষ্ঠিত কৰিব নোৱাৰিব বা কোনো জনসমাগমত প্ৰচাৰ চলাব নোৱাৰিব। তদুপৰি টেলিভিছন, চিনেমাটোগ্ৰাফ বা অন্য কোনো মাধ্যমত নিৰ্বাচনী প্ৰচাৰ চলোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই সময়ছোৱাত কোনো ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, নাট্যানুষ্ঠান বা যিকোনো মনোৰঞ্জনধৰ্মী অনুষ্ঠানৰ আয়োজন কৰি নিৰ্বাচন সম্পৰ্কীয় প্ৰচাৰৰ দ্বাৰা জনসাধাৰণক প্ৰভাৱিত কৰিব নোৱাৰিব বুলি কোৱা হৈছে।

ooooo

ৰাজ্যখনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।  আজি বিয়লি কৰিমগঞ্জ জিলা আয়ুক্তৰ কাৰ্যালয়ত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদ মেল অনুষ্ঠানত হয়। এই সংবাদ মেলত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱ, আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতীম দাসৰ লগতে ভালসংখ্যক শীৰ্ষ বিষয়া উপস্থিত থাকে। মৰিগাঁও জিলাত আজি আত্মসহায়ক গোটৰ মহিলাসকলে ভোটদানৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। আজি জিলাখনৰ ৮৫ খন গাঁও পঞ্চায়ত আৰু ১১ টা ৱাৰ্ডত মহিলাসকলে শোভাযাত্ৰা উলিয়ায়। উল্লেখযোগ্য যে জিলাখনত ২৯টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। আনহাতে ৬টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ, এটা মহিলা দিব্যাংগ ভোটগ্ৰহণকাৰীৰ দ্বাৰা পৰিচালিত হ'বলগীয়া কেন্দ্ৰ থাকিব। জিলাখনত ভোটদাতাসকলক গণতান্ত্ৰিক অধিকাৰৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে ব্যাপক সজাগতা কাৰ্যসূচী অব্যাহত আছে। জিলাখনত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ অভিযানৰ অংশ হিচাপে ভালেমান কাৰ্যসূচী লোৱা হৈছে।

ooooo

দ্বিতীয় পৰ্যায়তো লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ আয়োগে নিৰাপত্তা আৰু অন্যান্য দিশসমূহো সুক্ষ্মভাৱে তদাৰক কৰি আছে। নিৰ্বাচনত স্পৰ্শকাতৰ হিচাপে বিবেচিত হ্বলগীয়া ভোটকেন্দ্ৰসমূহত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে কেন্দ্ৰৰ ভিতৰে বাহিৰে চি এ পি এফ অৰ্থাৎ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োগ কৰা হ্ব। তদুপৰি ই ভি এম সমূহ অনা নিয়া কৰা বাহনসমূহত জিপিএছ সংলগ্ন কৰি ৰখা হ'ব। প্ৰায় ২০ হাজাৰখন বাহনত জিপিএছ ট্ৰেকিঙৰ ব্যৱস্থা থাকিব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই বিষয়ে প্ৰকাশ কৰিছে। আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত জনসাধাৰণৰ আহ-যাহৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখা হৈছে। এইবাৰ ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন লোকসকলৰ বাবে ব্ৰেইল পদ্ধতিৰে ভোটদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি জ্যেষ্ঠ নাগৰিক, সন্তানসম্ভৱা আৰু দিব্যাংগসকলক অপেক্ষা নকৰাকৈ ভোটদানৰ সুবিধা প্ৰদান কৰা হ্ব। আনহাতে, ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু শাৰিৰীক প্ৰতিবন্ধকতা থকা লোকসকলক তেওঁলোকৰ ইচ্ছা অনুসাৰে নিজৰ বাসগৃহৰ পৰা ভোটদানৰ সুবিধা ইতিমধ্যে দিয়া হৈছে। ইপিনে, ৰাজ্যখনত নিৰ্বাচন প্ৰযুক্তিৰ সহায়ত পৰিচালনাৰ বাবে আয়োগে ভালেমান অত্যাধুনিক ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ইৰোনেট নামৰ ছফটৱেৰ ব্যৱহাৰৰ উপৰি ৰাজ্যখনত নিৰ্বাচন আচৰণবিধি উলংঘাৰ ঘটনা পৰিলক্ষিত হোৱা মাত্ৰেই নিৰ্বাচন আয়োগক অৱগত কৰিবলৈ চি ভিজিল এপ জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। এই এপত পঞ্জীয়ন হোৱা ৯০ শতাংশ গোচৰ লাভ কৰাৰ এশ মিনিটৰ ভিতৰত নিষ্পত্তি কৰা হৈছে। ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰ নতুন ভোটদাতা আছে আৰু তেওঁলোকক সৰ্বোত্তম গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে উৎসাহিত কৰিবলৈ ভালেমান সজাগতামূলক কাৰ্যসূচী লোৱা হৈছে। ভোটদান সৰ্বাত্মক কৰি তোলাৰ বাবে ছুইপ কাৰ্যসূচীৰ অধীনত জিলা প্ৰশাসনসমূহে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

আনহাতে, এইবাৰ নিৰ্বাচনত নিয়োজিত হ্বলগীয়া কৰ্মচাৰীসকলে নিৰ্বাচনৰ দিনটোৰ বাবে মৰগীয়া বানচ লাভ কৰাৰ উপৰি পৰিবহনৰ সুবিধা আৰু থকা খোৱাৰ ব্যৱস্থা লাভ কৰিব। ইপিনে, নিৰ্বাচনী দায়িত্বত নিয়োজিত ব্যক্তি অসুস্থ হলে তেওঁলোকক আয়ুষ্মান ভাৰত জন আৰোগ্য যোজনাৰ অধীনত বিনামুলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। নিৰ্বাচনী দায়িত্বত নিয়োজিত কোনো ব্যক্তিৰ দুৰ্ঘটনাগ্ৰস্ত হ'লে বা তেওঁলোকৰ প্ৰাণহানি হলেও তৎকালিনভাৱে পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। ইফালে, নিৰ্বাচনৰ সময়ত নিৰাপত্তাৰ দিশটোত বিশেষভাৱে দৃষ্টি ৰখা হৈছে। আন্তঃৰাজ্যিক তথা আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত সম্ভাব্য কুটাঘাটমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ কঠোৰ পদক্ষেপ লোৱা হৈছে। বাক্সা জিলাৰ ভাৰত ভূটান সীমান্ততো এনে ধৰণৰ নিৰাপত্তাজনিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

অৰুণাচল প্ৰদেশৰ চাৰিটা বিধানসভা সমষ্টিৰ আঠটা ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত যোৱা ১৯ এপ্ৰিলত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। বামেং আৰু নিয়াপিন বিধানসভা সমষ্টিৰ এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ, ৰুমগং সমষ্টিৰ দুটা আৰু নাছ' বিধানসভা সমষ্টিৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুৱা ৬ বজাৰ পৰা বিয়লি ২ বজালৈ ভোটগ্ৰহণৰ সময় ধাৰ্য কৰা

হৈছে। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত একেদিনাই এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত 17A প্ৰপত্ৰৰ পৰীক্ষা কৰা হ'ব।

ooooo

অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বন্ধ খামৰ ভিতৰত তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে। তদন্তকাৰী সংস্থাটোৰ হৈ ৰাজ্য চৰকাৰৰ অধিবক্তাই এই প্ৰতিবেদন দাখিল কৰে। উল্লেখযোগ্য যে আয়োগৰ পৰীক্ষাত অনিয়মেৰে উত্তীৰ্ণ হৈ একাংশ বিষয়াই চাকৰি লাভ কৰা বিষয় সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে তদন্ত চলাই আহিছে। বিষয়টো সন্দৰ্ভত তদন্ত চলাই গোটটোৱে বহুকেইগৰাকীক গ্ৰেপ্তাৰ কৰাৰ লগতে আন বহুতকে জেৰা কৰিছিল। ইয়াৰ পাছতে গোটে উচ্চ ন্যায়ালয়ত তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে।

ooooo

২০২৪-২৫ বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ **দৰ্পণ** নামভৰ্তি প'ৰ্টেল আজিৰে পৰা মুকলি কৰা হৈছে। এই সন্দৰ্ভত শিক্ষা সংসদে জাৰি কৰা নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন শিক্ষানুষ্ঠানত নাম ভৰ্তিৰ বাবে www.darpan.ahseconline.in বা www.ahsec.assam.gov.in ৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব। আজিৰে পৰা ২ মে' পৰ্যন্ত ছাত্ৰ-ছাত্ৰীসকলে অনলাইন আবেদন কৰিব পাৰিব। এনে আবেদনৰ পিছত সংশ্লিষ্ট শিক্ষানুষ্ঠানে ৩ মে'ৰ পৰা ৪ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা তালিকা, অপেক্ষাৰ তালিকা প্ৰস্তুত কৰিব। ৬ মে'ৰ পৰা ৮ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানসমূহত নামভৰ্তি কৰিব লাগিব।

ooooo

ৰাজ্যখনৰ ৪টা সমষ্টিৰ বাবে হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাতো নিশ্চিত হৈছে।

উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত আউটাৰ মণিপুৰৰ উপৰি দেশৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত এহেজাৰ ১৯৮ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দ্বিতীয় পৰ্যায়ত অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰিমগঞ্জত ২৪, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধাশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হব। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিব। অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব।

উল্লেখযোগ্য যে সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰৰ ঊৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত এহেজাৰ ৫৫১ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

ooooo

বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে লগতে পূব ভাৰতৰ পৰৱৰ্তী ৪ দিন পৰ্যন্ত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে আৰু ন ন অঞ্চল গ্ৰীষ্ম প্ৰৱাহৰ কবলত পৰিব পাৰে বুলি সকিয়াই দিছে।

ooooo

গুৱাহাটীত আজি আয়োজিত এটা অনুষ্ঠানত দেশৰ প্ৰাক্তন ৰাষ্ট্ৰদূত তথা ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন সহকাৰী সচিব প্ৰধান লক্ষ্মী মুৰ্দেশ্বৰ পুৰীৰ গ্ৰন্থ Swallowing The Sun উন্মোচন কৰা হয়। এই অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান, আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং আৰু সেনাবাহিনীৰ ইষ্টাৰ্ন কামাণ্ডৰ প্ৰাক্তন জিঅ'চি ইন চি ৰাণা প্ৰতাপ কলিতা বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃসমাপ্তঃ